**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 18-05-2026 **Time :** 1205 Hrs.

# ***Headlines***

১। উত্তৰ পূৰ্বাঞ্চলৰ এৰী ৰেচম বস্ত্ৰ আৰু ৰাজস্থানৰ কোটা দৰিয়া সূতাৰ সংমিশ্ৰণত নতুন বস্ত্ৰ উৎপাদনেৰে আন্তঃৰাষ্ট্ৰীয় বজাৰ দখলৰ বাবে ড'নাৰ মন্ত্ৰালয়ৰ পৰিকল্পনা।

২। কংগ্ৰেছ নেতা ভি ডি সতীশনৰ আজি কেৰলমৰ মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ।

৩। ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্টট্ৰেক আদালতত আজি জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত অভিযুক্ত শেখৰ জ্যোতি গোস্বামীৰ জামিন আবেদন নাকচ।

*আৰু*

৪। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি চেন্নাই ছুপাৰ কিংছ ছানৰাইজাৰ্চ হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ।

ooooo

ড'নাৰ মন্ত্ৰালয়ে উত্তৰ পূৰ্বাঞ্চলৰ এৰী ৰেচম বস্ত্ৰ আৰু ৰাজস্থানৰ কোটা দৰিয়া সূতাৰ সংমিশ্ৰণত নতুন বস্ত্ৰ উৎপাদন কৰি .ঘৰুৱা আৰু আন্তঃৰাষ্ট্ৰীয় বজাৰত দুয়োবিধ বস্ত্ৰৰ প্ৰসাৰৰ লক্ষ্য স্থিৰ কৰিছে। এই সংক্ৰান্তত ড'নাৰ মন্ত্ৰালয়ৰ সচিব সঞ্জয় জাজুৱে কালি ৰাজস্থানৰ কোটা জিলা প্ৰশাসনৰ মুৰব্বীৰ সৈতে আলোচনা কৰে। জাজুৰ নেতৃত্বৰ দলটোৱে শিপিনী, হস্তশিল্পী আৰু ফেশ্বন ডিজাইনাৰসকলৰ সৈতেও এই বিষয়টো লৈ আলোচনা কৰে। এই আলোচনাত এৰী ৰেচমৰ সৈতে কোটা দৰিয়াৰ সংমিশ্ৰণেৰে উচ্চ মূল্যসম্পন্ন আৰামদায়ক আৰু সুন্দৰ বস্ত্ৰ উৎপাদনৰ বিভিন্ন দিশ চালি-জাৰি চোৱা হয়। উল্লেখযোগ্য যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বস্ত্ৰ উৎপাদনৰ ক্ষেত্ৰত গ্ৰহণ কৰা সংহত দৃষ্টিভংগী আৰু এক ভাৰত শ্ৰেষ্ঠ ভাৰতৰ নীতি অনুসৰি বস্ত্ৰ খণ্ডত এই সমন্বয় আৰু সাংস্কৃতিক সংমিশ্ৰণৰ অনবদ্য পদক্ষেপ লোৱা হৈছে।

ooooo

কংগ্ৰেছ নেতা ভি ডি সতীশনে আজি কেৰলমৰ মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰে। শ্ৰীসতীশনে তেওঁৰ শপত গ্ৰহণৰ পূৰ্বে কালি সন্ধিয়া ২১ জনীয়া ইউ ডি এফ মন্ত্ৰীসভা ঘোষণা কৰে। ৰাজ্যখনৰ ৰাজ্যপাল ৰাজেন্দ্ৰ বিশ্বনাথ আৰ্লেকাৰে নতুন মন্ত্ৰীসকলক শপতবাক্য পাঠ কৰোৱায়। প্ৰাক্তন বিৰোধী দলপতি আৰু কে পি চি চিৰ প্ৰাক্তন সভাপতি ৰমেশ চেন্নিথালা তথা বৰ্তমানৰ সভাপতি ছানি যোচেফ, প্ৰাক্তন কে পি চি চিৰ সভাপতি কে মুৰলীধৰণ আৰু আই ইউ এম এলৰ নেতা পি কে কুনহালিকুট্টি আদিকে ধৰি ভালেকেইগৰাকী জ্যেষ্ঠ নেতাই নতুন মন্ত্ৰীসভাত স্থান লাভ কৰিছে।

এই মন্ত্ৰীসভাত সতীশনকে ধৰি ১৪ জনে প্ৰথমবাৰৰ বাবে মন্ত্ৰী হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰিব। উল্লেখযোগ্য যে ৰাজ্যখনত কংগ্ৰেছে মুখ্যমন্ত্ৰী পদকে ধৰি ১১টা মন্ত্ৰীপদ লাভ কৰাৰ বিপৰীতে ইণ্ডিয়ান ইউনিয়ন

মুছলিম লীগে ৫টা মন্ত্রীপদ লাভ কৰে। কেৰালা কংগ্রেছ (জোছেফ), আৰ এছ পি, কেৰালা কংগ্রেছ (জেকব) আৰু চি এম পিয়ে এটাকৈ মন্ত্রীপদ লাভ কৰিছে।

০০০০

ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্টট্ৰেক আদালতে আজি জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত অভিযুক্ত শেখৰ জ্যোতি গোস্বামীয়ে দাখিল কৰা জামিন আবেদন নাকচ কৰে। উল্লেখযোগ্য যে ছিংগাপুৰত জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ গোচৰত বিশেষ তদন্তকাৰী গোটে বিগত বৰ্ষৰ দুই অক্টোবৰত শিল্পীগৰাকীৰ বাদ্যযন্ত্ৰী শেখৰ জ্যোতি গোস্বামীক গ্ৰেপ্তাৰ কৰিছিল। তেতিয়াৰে পৰা হাফলং উপ-কাৰাগাৰত থকা অভিযুক্তগৰাকী জামিন বিচাৰি বৰ্তমান আদালতৰ দ্বাৰস্থ হৈছে। ফাষ্টট্ৰেক আদালতে ইয়াৰ পূৰ্বে জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত মূল অভিযুক্ত শ্যামকানু মহন্ত আৰু সিদ্ধাৰ্থ শৰ্মাৰ জামিন আবেদন নাকচ কৰিছিল। ইয়াৰ পাছত শ্যামকানু মহন্তই জামিন বিচাৰি গুৱাহাটী উচ্চ ন্যায়ালয়ৰ দ্বাৰস্থ হয়। ইতিমধ্যে উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ মিতালী ঠাকুৰীয়াৰ বিচাৰপীঠে শ্যামকানু মহন্তৰ জামিন আবেদনৰ ভিত্তিত অহা ২২ মে'ত গোচৰটোৰ কেছ ডায়েৰী দাখিল কৰিবলৈ অসম চৰকাৰক নিৰ্দেশ দিছে।

০০০০০০০

কেন্দ্ৰীয় বন্দৰ, জাহাজ চলাচল আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি আন্তঃৰাষ্ট্ৰীয় মহিলা সামুদ্ৰিক দিৱস উপলক্ষে মহিলা নাবিকসকলৰ অসীম সাহসক অভিবাদন জনাইছে। এটা বাৰ্তাত শ্ৰীসোণোৱালে কয় যে ভাৰতত নীতিগত সংস্কাৰৰ ফলত বৰ্তমান মহিলা নাবিকৰ সংখ্যা যথেষ্ট বৃদ্ধি পাইছে। তেওঁ কয় যে নাৰী শক্তিয়ে ভাৰতক আগুৱাই নিয়াৰ লগতে গোলকীয় সামুদ্ৰিক খণ্ডতো ভৱিষ্যতে বিশেষ প্ৰভাৱ বিস্তাৰ কৰিবলৈ সমৰ্থ হ'ব।

০০০০০০০০০

সদৌ অসম ছাত্ৰ সন্থাই প্ৰতি বছৰৰ দৰে এইবাৰো হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা শিক্ষাৰ্থীসকলৰ বাবে বিশেষ অভিনন্দন অনুষ্ঠানৰ আয়োজন কৰিছে। কামৰূপ মহানগৰ জিলা ছাত্ৰ সন্থাৰ উদ্যোগত আৰু সদৌ গুৱাহাটী ছাত্ৰ সন্থাৰ সহযোগত আজি গুৱাহাটীৰ মাছখোৱাৰ প্ৰাগজ্যোতি প্ৰকল্পত আয়োজন কৰা অনুষ্ঠানত ১২০গৰাকী কৃতি শিক্ষাৰ্থীক সম্বৰ্ধনা জনাবলৈ লোৱা হৈছে। সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীসকলে অধ্যয়নৰত বিদ্যালয়সমূহৰ অধ্যক্ষসকলকো এই অনুষ্ঠানতে সম্বৰ্ধনা জনোৱা হ'ব। তদুপৰি এই অনুষ্ঠানতে কেন্দ্ৰীয় লোকসেৱা আয়োগৰ অসামৰিক সেৱাৰ পৰীক্ষাত বিশেষ কৃতিত্বৰে উত্তীৰ্ণ হোৱা অসমৰ প্ৰাৰ্থীকেইগৰাকীকো সম্বৰ্ধনা জনোৱা হ'ব। অনুষ্ঠানত নগাঁও বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড০ হিতেশ ডেকা আৰু ভাৰতীয় আৰক্ষী সেৱাৰ বিষয়া দিগন্ত বৰা বিশিষ্ট অতিথি হিচাপে উপস্থিত আছে।

০০০০০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি গৃহনিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ এখন পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰে। এই বৈঠকত মুখ্যমন্ত্ৰীগৰাকীয়ে গুৱাহাটী পৌৰ নিগম, গুৱাহাটী মহানগৰ উন্নয়ন কৰ্তৃপক্ষ, গুৱাহাটী জলবোৰ্ড আৰু অম্ৰুট আদি সংস্থাসমূহৰ বিভিন্ন উন্নয়নমূলক আঁচনি আৰু কাৰ্যসূচীৰ খতিয়ান লয়।

মুখ্যমন্ত্ৰী ড° শৰ্মাই গুৱাহাটীকে ধৰি ৰাজ্যৰ চহৰসমূহৰ প্ৰতিগৰাকী নাগৰিকৰ সুবিধা সুনিশ্চিত কৰি বিশুদ্ধ খোৱাপানী, কৃত্ৰিম বান ব্যৱস্থাপনা, অনাময় আদি গুৰুত্বপূৰ্ণ বিষয়সমূহক অগ্ৰাধিকাৰ দিবলৈ সংস্থাসমূহক নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰী ড° শৰ্মাই লগতে গুৱাহাটীক দেশৰ ভিতৰতে এখন অন্যতম আধুনিক আৰু সৰ্বাংগ সুন্দৰ মহানগৰ হিচাপে গঢ়ি তুলিবলৈ সকলো ব্যৱস্থা গ্ৰহণৰ বাবে সংশ্লিষ্ট বিভাগক নিৰ্দেশনা প্ৰদান কৰে।

০০০০০০

মধ্য অসমৰ অন্যতম প্ৰধান চহৰ নগাঁৱৰ ৰাজপথসমূহ অধিক পৰিষ্কাৰ কৰি ৰখাৰ উদ্দেশ্যে নগাঁও পৌৰসভাই শেহতীয়াকৈ অত্যাধুনিক মেকানিকেল ছুইপিং মেচিন বা যন্ত্ৰচালিত ঝাডু সংযোজন কৰিছে। পৰম্পৰাগত পদ্ধতিৰ পৰা স্বয়ংক্ৰিয় প্ৰযুক্তিলৈ এই পৰিৱৰ্তনে পথসমূহ পৰিষ্কাৰ কৰি ৰখাত সহায় কৰাৰ লগতে দক্ষ পৌৰ প্ৰশাসনৰ ভেঁটি শক্তিশালী কৰিব বুলি আশা কৰা হৈছে। নগাঁও পৌৰ নিগমৰ আন্তঃগাঁথনি আধুনিকীকৰণৰ দুৰদৰ্শী চিন্তা বাস্তৱত সফল হ'লে ৰাজ্যৰ অন্য পৌৰনিগম ব্যৱস্থাটো ইয়াৰ ব্যৱহাৰ হোৱাৰ থল আছে।

০০০০০০০

ডিব্ৰুগড় আৰক্ষীয়ে মাদক দ্ৰব্য বিৰোধী অভিযান চলাই কালি বুজন পৰিমাণৰ মাদক দ্ৰব্যসহ এজন লোকক আটক কৰে। আৰক্ষীয়ে গোপন সূত্ৰৰ ভিত্তিত অভিযান চলাই চৌকিদিঙিৰ জালান বাগিছাৰ সমীপৰ পৰা মাদক দ্ৰব্য সৰবৰাহকাৰীজনক আটক কৰে।

নগাঁও জিলাৰ ধিঙতো কালি সন্ধিয়া আৰক্ষীয়ে মাদক দ্ৰব্যসহ এটা সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰে। ধৃত সৰবৰাহকাৰীজন ধিঙৰ মন্নাছ আলী বুলি জানিব পৰা গৈছে। আৰক্ষীয়ে ধৃত লোকজনৰ পৰা বুজন পৰিমাণৰ মাদক দ্ৰব্য জব্দ কৰে। সম্প্ৰতি মন্নাছ আলীক ধিং আৰক্ষীয়ে জেৰা অব্যাহত ৰাখিছে।

০০০০

দৰং জিলাৰ ধূলাত আৰক্ষীয়ে আজি এজন বাংলাদেশী নাগৰিকক আটক কৰে। আটক কৰা লোকজনক আৰক্ষীয়ে চুবুৰীয়া দেশখনৰ বৰিশাল জিলাৰ মোচিনপুৰ গাঁও বাসিন্দা মহম্মদ জাকিৰ বুলি চিনাক্ত কৰিছে। এই সন্দৰ্ভত আৰক্ষীয়ে গোচৰ ৰুজু কৰি তদন্ত অব্যাহত ৰাখিছে।

০০০০০০০

গুৰুতৰ প্ৰদূষণজনিত সমস্যা সৃষ্টি কৰা গোটা আৱৰ্জনা নিষ্কাষনৰ বাবে প্ৰস্তুত কৰা ২০২৬ চনৰ গোটা আৱৰ্জনা ব্যৱস্থাপনা নিয়মাৱলী বলৱৎ কৰাৰ বাবে ৰাজ্যৰ প্ৰতিখন জিলাৰ আয়ুক্তলৈ ৰাজ্য চৰকাৰে নিৰ্দেশ জাৰি কৰিছে। উচ্চতম ন্যায়ালয়ে পৰিৱেশ সুৰক্ষা আইনৰ অধীনত জিলা আয়ুক্তসকলক গোটা আৱৰ্জনা ব্যৱস্থাপনা নিয়মাৱলী বলৱৎ কৰাৰ কৰ্তৃত্ব আৰু ক্ষমতা প্ৰদান কৰি অলপতে দিয়া এটা ৰায়ৰ পাছত মুখ্য সচিব ড০ ৰবি কোটাই শেহতীয়াকৈ জিলা আয়ুক্তসকললৈ এই নিৰ্দেশ জাৰি কৰিছে। এই অনুসৰি জিলা আয়ুক্তসকলক তেওঁলোকৰ অধীনৰ এলেকাসমূহত গোটা আৱৰ্জনা নিষ্কাষণৰ বাবে থকা আন্তঃগাঁথনিৰ পৰ্যালোচনা কৰাৰ লগতে প্ৰতি তিনিমাহৰ মূৰে মূৰে নগৰীয়া আৰু গ্ৰাম্য স্থানীয় নিকায়সমূহৰ কামকাজৰ পৰ্যালোচনা কৰি মুখ্য সচিবলৈ প্ৰতিবেদন প্ৰেৰণ কৰিব লাগিব। জিলা আয়ুক্তসকলে পৌৰ নিগম নিকায়ৰ লগতে পঞ্চায়তসমূহে চাৰি প্ৰকাৰৰ আৱৰ্জনা পৃথকীকৰণকে ধৰি দীৰ্ঘদিনৰ পৰা জমা হৈ থকা আৱৰ্জনা নিষ্কাষণ

নিশ্চিত কৰিব লাগিব। ইয়াৰ বাবে পৌৰ নিগম নিকায় আৰু পঞ্চায়তসমূহক ৬০ দিনৰ ভিতৰত গোটা আৱৰ্জনা ব্যৱস্থাপনাৰ সময়সীমা তথা নিৰ্দিষ্ট কাৰ্যসূচী প্ৰস্তুতৰ বাবে নিৰ্দেশ দিয়া হৈছে।

০০০০০০০০০

নাগালেণ্ডত আজি আন্তঃৰাষ্ট্ৰীয় সংগ্ৰহালয় দিৱস উদযাপন কৰা হয়। এইবেলি এই দিৱসৰ মূল বাণী হৈছে - সংগ্ৰহালয়ে বিভাজিত পৃথিৱীক এক কৰিছে। এই দিৱসত সাংস্কৃতিক, সামাজিক আৰু ভৌগোলিক বিভাজন দূৰ কৰি বুজাবুজি, শান্তি আদি প্ৰতিষ্ঠা কৰাত সংগ্ৰহালয়ৰ ভূমিকাত আলোকপাত কৰা হয়। আন্তঃৰাষ্ট্ৰীয় সংগ্ৰহালয় দিৱস উপলক্ষে আজি আৰু কাইলৈ নাগালেণ্ডৰ ৰাজ্যিক সংগ্ৰহালয় দৰ্শনাৰ্থীসকলে বিনামূলীয়াকৈ প্ৰৱেশ কৰিব পাৰিব। নাগালেণ্ডৰ কলা আৰু সংস্কৃতি বিভাগে আয়োজন কৰা এই দিৱসত শিক্ষাৰ্থী, গৱেষক, শৈক্ষিক প্ৰতিষ্ঠান, পৰ্যটক আৰু জনসাধাৰণক পৰম্পৰাগত কলা সামগ্ৰী আৰু ঐতিহাসিক সম্পদসমূহৰ চহকী সংগ্ৰহ দৰ্শন কৰিবলৈ আহ্বান জনাইছে।

০০০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি চেন্নাইৰ এম এ চিদাম্বৰত ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত চেন্নাই ছুপাৰ কিংছ ছানৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

প্ৰতিযোগিতাত যোৱা নিশা দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত দেলহি কেপিটেলছে ৰাজস্থান ৰয়েলছক ৫ উইকেটত পৰাস্ত কৰে। দেলহি কেপিটেলছে ১৯৪ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৯ অভাৰ ২টা বলত ৫ উইকেটৰ বিনিময়ত নিৰ্ধাৰিত লক্ষ্য অতিক্ৰম কৰে। দলৰ হৈ কে এল ৰাহুলে সৰ্বাধিক ৫৬ ৰান কৰে। ইয়াৰ পূৰ্বে ৰাজস্থান ৰয়েলছে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৮টা উইকেট হেৰুৱাই ১৯৩ ৰান সংগ্ৰহ কৰে। ধ্ৰুৱ জুৰেলে সৰ্বাধিক ৫৩ ৰান কৰে। দেলহিৰ হৈ ৪ উইকেট দখল কৰা মিছেল ষ্টাৰ্কক প্লেয়াৰ অৱ দা মেচ ঘোষণা কৰা হয়।

০০০০০০

**সমাপ্ত**